**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অহা ৪ মে’ত হ’বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। ৪০ টা ভোটগণনা কেন্দ্ৰ স্থাপন।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অব্যাহত।

৩। মিজোৰামত বিগত ৩ দিন ধৰি হৈ থকা প্ৰবল ধুমুহা-বৰষুণৰ ফলত ভূমিস্থলনত কমেও ৭৭ টা বাসগৃহ ধ্বংস।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি।

ooooo

অহা ৪ মে’ত হ’বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি দিছপুৰৰ জনতা ভৱনত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয় যে ভোটগণনাৰ বাবে মুঠ ৪০ টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰ থকাৰ লগতে নগাওঁ জিলাত ৩ টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

বাইট - গোৱেল

নিৰ্বাচন আয়োগে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰিছে বুলি উল্লেখ কৰি শ্ৰীগোৱেলে কয় যে এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনাকাৰী বিষয়া আৰু ২ হাজাৰ ৩৪৮ গৰাকী মাইক্ৰ’অবজাৰভাৰ থাকিব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ ৰ পৰা ২৮ টা ৰাউণ্ডত ভোটগণনা কৰা হ’ব। ৰিটাৰ্ণিং বিষয়াসকলে পোষ্টেল বেলটসমূহ পৰীক্ষা কৰিব। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেইবাতৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে। তেওঁ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২৫ টা কোম্পানী, ৰাজ্যিক সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১৩ টা কোম্পানী, ষ্ট্ৰং ৰূম থকা স্থানত ৮০০ জন সুৰক্ষা বাহিনীৰ লোক আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ গোট নিয়োগ কৰা হৈছে। তদুপৰি অসম সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৯৩ টা কোম্পানীও নিয়োগ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীগোৱেলে ৰাজ্যৰ বিভিন্ন জিলাত ভোটগণনাত নিয়োজিত বিষয়াসকলৰ ইতিমধ্যে প্ৰশিক্ষণ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে বুলিও জানিবলৈ দিয়ে।

বাইট-গোৱেল

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আজি সুকলমে অনুষ্ঠিত হৈছে। আজি বিয়লি ৩ বজালৈ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ৭৮ দশমিক ৬ - ৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। এই পৰ্যায়ত ৰাজ্যখনৰ ৭ খন জিলাৰ ১৪২টা সমষ্টিক

সামৰি লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত ৩ কোটি ২২ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। ইয়াৰে ভিতৰত প্ৰথমবাৰৰ বাবে ভোটদানৰ বাবে সুবিধা লাভ কৰা ১৮ৰ পৰা ১৯ বছৰ বয়সৰ চাৰি কোটি ২২ লাখৰো অধিক ভোটদাতা আছে।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ মুক্ত আৰু নিকাভাৱে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে ভোটগ্ৰহণৰ সময়ছোৱাত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ প্ৰায় দুহেজাৰ ৩২১টা কোম্পানী আৰু দ্ৰুত সঁহাৰি বাহিনীৰ ৬০০ ৰো অধিক দল নিয়োগ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত ৰাজ্যখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৯৩ দশমিক ১-৯ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছিল। ৪ মে'ত অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু পুডুচেৰীৰ ভোটগণনা কৰা হ'ব।

00000

মিজোৰামত বিগত ৩ দিন ধৰি হৈ থকা প্ৰবল ধুমুহা-বৰষুণৰ ফলত ভূমিস্খলনত কমেও ৭৭ টা বাসগৃহ ধ্বংস হৈছে বুলি ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰকাশ কৰিছে। বিভাগীয় তথ্য অনুসৰি  সোমবাৰ আৰু মঙলবাৰৰ ভিতৰত দুটাকৈ বিদ্যালয় গৃহ, গীৰ্জা, স্বাস্থ্যকেন্দ্ৰ, এটা অঙ্গনবাড়ী কেন্দ্ৰ আৰু এটা ৰাজহুৱা গ্ৰন্থাগাৰ ক্ষতিগ্ৰস্ত হয়। ধুমুহা আৰু ভূমিস্খলনত আইজলত ৪৫ টা গৃহ, মিজোৰামৰ লুংলেই জিলাত ৩১ টা বাসগৃহ ক্ষতিগ্ৰস্ত হয়। অৱশ্যে এতিয়ালৈকে কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

00000

আজি আন্তঃৰাষ্ট্ৰীয় নৃত্য দিৱস। আধুনিক বেলে নৃত্যৰ স্ৰষ্টা জ' জৰ্জ নৱেৰৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ১৯৮২ চনৰ পৰা ইউনেস্ক'ৰ সহযোগী সংস্থা ইণ্টাৰনেচনেল থিয়েটাৰ ইনষ্টিটিউটে এই দিৱস পালন কৰি আহিছে। নৃত্য শিল্পক স্বীকৃতি প্ৰদানৰ লগতে সমাজত এই শিল্পৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰাৰ বাবে এই দিৱস পালন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি নৃত্য প্ৰতিযোগিতা কৰ্মশালা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমতো আজি নৃত্য দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা তথা সংস্কৃতি কেন্দ্ৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰ আৰু বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্যসূচী অনুষ্ঠিত হয়। ফণীধৰ দত্ত প্ৰেক্ষাগৃহত আয়োজিত সত্ৰীয়া বৈভৱম শীৰ্ষক এই অনুষ্ঠানত সত্ৰীয়া নৃত্যৰ গৌৰৱময় পৰম্পৰা আৰু আধ্যাত্মিক তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ লৈ পদ্মশ্ৰী সন্মানেৰে সন্মানিত শিল্পী বায়নাচাৰ্য ঘনকান্ত বৰাই সত্ৰীয়া নৃত্য সংস্কৃতি আৰু ভক্তিৰ প্ৰকাশ বুলি মন্তব্য কৰে। তেওঁ লগতে ইয়াক সংৰক্ষণ কৰাটো মহান দায়িত্ব বুলি উল্লেখ কৰে। বিশিষ্ট সত্ৰীয়া শিল্পী মল্লিকা কন্দলীয়ে 'NAYIKA VEDA IN SATRIA DANCE' শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়ায়। ডº অন্বেষা মহন্তই সঞ্চালনা কৰা 'SATRIA ARTS, PRESENT SCENERIO, PROSPECTS AND CHALLENGES' শীৰ্ষক আলোচনাচক্ৰত কেইবাগৰাকীও বক্তাই ভাষণ দিয়ে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডº ননীগোপাল মহন্ত, পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মা, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সঞ্চালক ডº চপম ৰণবীৰ সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

00000

কাছাৰ আৰক্ষীয়ে আজি অবৈধভাৱে ধন সংগ্ৰহ আৰু প্ৰতাৰণাৰ অভিযোগত শ্ৰীকোনা অঞ্চলৰ পৰা এজন যুৱকক আটক কৰে।  আৰক্ষীয়ে জনোৱা মতে, জয়দেৱ দত্ত নামৰ যুৱকজনে যোৱা ২-৩ বছৰত বৰাক উপত্যকাৰ বিভিন্ন ঠাইৰ লোকৰ পৰা বহু পৰিমাণৰ ধন সংগ্ৰহ কৰি ইয়াৰ বিনিময়ত অধিক ধন ঘুৰাই দিয়াৰ প্ৰলোভন দি আহিছিল। এখন সংবাদমেল  যোগে কাছাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত কুমাৰ পালে আজি কয়, যে ধৃত

লোকজনে কোম্পানী এটাৰ নামত বিনিয়োগ কৰিবলৈ মানুহৰ পৰা ধন সংগ্ৰহ কৰিছিল। আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তত ৩৫ ৰ পৰা ৪০ লাখ টকা  জব্দ কৰা হৈছে যদিও ধনৰ পৰিমাণ কেইবা কোটি টকা হ'ব পাৰে বুলি অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। বৰ্তমানলৈকে ২৪ জন লোকে যুৱক জনৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ অধ্যক্ষতাত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অনুন্নত ফলাফল প্ৰদৰ্শন কৰা জিলাখনৰ বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকলৰ এখন সভা অনুষ্ঠিত হয়। নটসূৰ্য ফণী শৰ্মা ভৱন বিদ্যালয়ত অনুষ্ঠিত এই সভাত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ৬০ শতাংশতকৈ কম হোৱা বিদ্যালয়সমূহক ইয়াৰ কাৰণ বিশ্লেষণৰ উপৰি ভৱিষ্যতে ফলাফল ভাল কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহৰ সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত গোৱালপাৰা জিলাত উত্তীৰ্ণৰ হাৰ হৈছে ৬২ দশমিক ৪ শতাংশ।

ooooo

যোৰহাট জিলাৰ অতিৰিক্ত স্বাস্থ্য জিলা আয়ুক্ত সভাপতিত্ব আজি যোৰহাট জিলা স্বাস্থ্য সমিতিৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ স্বাস্থ্যখণ্ডৰ সাম্প্ৰতিক স্থিতি আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ ৰূপায়ন সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। মাতৃৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লগতে গৰ্ভৱতী মহিলাৰ সময়মতে নাম পঞ্জীয়ন, নিয়মীয়া স্বাস্থ্য পৰীক্ষা সুনিশ্চিতকৰণ, সম্পূৰ্ণ টিকাকৰণ আৰু চৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহৰ প্ৰসৱকালীন সেৱাৰ মান উন্নত আৰু বৃদ্ধিৰ কৰাৰ ক্ষেত্ৰত বৈঠকত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। **যক্ষ্মা মুক্ত ভাৰত** অভিযান ১০০ দিনীয়া কাৰ্যসূচী আৰু অন্যান্য ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনিসমূহৰ কাৰ্যদক্ষতা সন্দৰ্ভতো আলোচনা কৰা হয়। অনুষ্ঠানত জিলাখনৰ স্বাস্থ্য সেৱালৈ আগবঢ়োৱা উৎকৃষ্ট অৱদানৰ বাবে ৰাষ্ট্ৰীয় প্ৰমাণপত্ৰ লাভ কৰি গৌৰৱ কঢ়িয়াই অনা ৰাজৈ আদৰ্শ আয়ুস্মান আৰোগ্য মন্দিৰ আৰু ফেচুৱাল আদৰ্শ আয়ুস্মান আৰোগ্য মন্দিৰৰ দলক সম্বৰ্ধনা জনোৱা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে পঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ